**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-12-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

# ***HEADLINES***

১। ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন আজি নতুন দিল্লীলৈ আহিব।

২। সংসদত আজি কেন্দ্ৰীয় আবকাৰি শুল্ক সংশোধনী বিধেয়ক ২০২৫ গৃহীত হৈছে।

৩। ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ দ্বিতীয় পৰ্যায় আৰম্ভ হোৱাৰে পৰা ভোটদাতাসকলৰ মাজত ৫০ কোটি ৫৭ লাখৰো অধিক গণনাপত্ৰ বিতৰণ কৰা হৈছে।

৪। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা কেইটামান বছৰত উত্তৰ-পূৰ্বাঞ্চল দেশৰ উন্নয়নৰ কেন্দ্ৰবিন্দুৰূপে পৰিগণিত হোৱা বুলি প্ৰকাশ কৰিছে।

আৰু

৫। সমগ্ৰ দেশত আজি নৌসেনা দিৱস পালন কৰা হৈছে।

০০০০০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি দুদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হ'ব। এই ভ্ৰমণ কালত ৰাষ্ট্ৰপতি পুটিনে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভত আলোচনা কৰিব। ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণৰ সময়ত বাণিজ্য, অৰ্থনীতি, স্বাস্থ্য যতন, শিক্ষা সংস্কৃতি আদিকে ধৰি বিভিন্ন খণ্ডত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে ভোজমেলৰ আয়োজন কৰিব। এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ বিশেষ আৰু কৌশলগত অংশীদাৰিত্বক শক্তিশালী কৰাৰ লগতে দুয়োগৰাকী নেতাক দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনাৰ সুযোগ দিব। ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ মাজৰ এই বাৰ্ষিক সন্মিলন হৈছে কৌশলগত সহযোগিতাৰ দিশত সৰ্বোচ্চ প্ৰতিষ্ঠানগত আলোচনা। ইয়াৰ পূৰ্বে ভাৰত আৰু ৰাছিয়াত সলনাসলনিকৈ ২২ খন এনেধৰণৰ শীৰ্ষ সন্মিলন অনুষ্ঠিত হৈছে। ৰাছিয়া আৰু ভাৰতৰ মাজত দীৰ্ঘদিনীয়া মিত্ৰতা আছে আৰু দেশ দুখনৰ মাজৰ এই সম্পৰ্ক হৈছে ভাৰতৰ বৈদেশিক নীতিৰ গুৰুত্বপূৰ্ণ স্তম্ভ। ২০০০ চনৰ অক্টোবৰত ভাৰত-ৰাছিয়া কৌশলগত অংশীদাৰিত্ব বিষয়ক ঘোষণা পত্ৰ স্বাক্ষৰিত হোৱাৰ পিছৰে পৰা প্ৰায় সকলোবোৰ ক্ষেত্ৰত দেশ দুখনৰ মাজৰ সম্পৰ্কই বিশেষভাৱে গতি লাভ কৰিছে।

২০১০ চনৰ ডিচেম্বৰত ৰাছিয়াৰ ৰাষ্ট্ৰপতিৰ ভাৰত ভ্ৰমণৰ সময়ত দেশ দুখনৰ মাজৰ কৌশলগত অংশীদাৰিত্বক বিশেষ আৰু অগ্ৰাধিকাৰমূলক কৌশলগত অংশীদাৰিত্বলৈ সুদৃঢ় কৰা হৈছিল। তদুপৰি ২০৩০ চনৰ ভিতৰত বাণিজ্য আৰু অৰ্থনৈতিক সম্পৰ্ক শক্তিশালী কৰি দ্বিপাক্ষিক বাণিজ্যক ১০০ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল। উল্লেখযোগ্য যে ২০২৪-২৫ বৰ্ষত ভাৰত আৰু ৰাছিয়াৰ মাজৰ দ্বিপাক্ষিক বাণিজ্যই প্ৰথমবাৰৰ বাবে ৬৮.৭ বিলিয়ন ডলাৰ অতিক্ৰম কৰিছে।

০০০০০০০০০

ৰাজ্যসভাই আজি কেন্দ্ৰীয় আবকাৰি শুল্ক সংশোধনী বিধেয়ক ২০২৫ গ্ৰহণ কৰি লোকসভালৈ ঘূৰাই পঠিওৱাৰ লগে লগে বিধেয়কখনে দুয়োখন সদনৰ অনুমোদন লাভ কৰে। এই বিধেয়কখনৰ জৰিয়তে ১৯৪৪ চনৰ কেন্দ্ৰীয় আবকাৰি শুল্ক আইনৰ সংশোধন কৰিব বিচৰা হৈছে। ইয়াৰ জৰিয়তে বিশেষকৈ চিগাৰেট, চিগাৰ, হোকাত ব্যৱহাৰ কৰা মলা ধপাত, সুগন্ধি ধপাত, জৰ্দাসহ সকলো ধপাতৰ ওপৰত

আৰোপিত আবকাৰি শুল্ক আৰু উপকৰ  বৃদ্ধি কৰিব বিচৰা গৈছে। কেন্দ্ৰীয় বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধৰীয়ে আজি লোকসভাত এই বিধেয়কখন উত্থাপন কৰে।

ৰাজ্যসভাত বিধেয়ক সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰ দি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে চিগাৰেটৰ ওপৰত আৰোপিত বৰ্ধিত শুল্কৰ অংশ ৰাজ্যসমূহৰ সৈতে ভগাই লোৱা হ'ব। তেওঁ কয় যে এয়া কোনো উপকৰ নহয়, বৰং আবকাৰি শুল্কহে। বিত্ত আয়োগৰ পৰামৰ্শ অনুসৰি ৰাজ্যসমূহ মাজত সংগ্ৰহিত ধনৰাশি বিতৰণ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমতী সীতাৰমনে লগতে বিধেয়কখনে ধপাত খেতিয়কসকলৰ ক্ষতি সাধন নকৰে বুলি আশ্বাস দিয়ে। তেওঁ কয় যে ধপাত খেতিয়কসকলক অন্য শস্যৰ খেতি কৰিবলৈ উৎসাহিত কৰাৰ বাবে শস্য বিবিধতা আঁচনিকে ধৰি ভালেমান আঁচনি আছে। ২০১৭-১৮ৰ পৰা ২০২১-২২ বৰ্ষত ধপাতৰ খেতি কৰা ১ দশমিক ১-২ একৰ ভূমিত অন্য খেতি কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooooooo

ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ দ্বিতীয় পৰ্যায় আৰম্ভ হোৱাৰে পৰা ভোটদাতাসকলৰ মাজত ৫০ কোটি ৫৭ লাখৰো অধিক গণনাপত্ৰ বিতৰণ কৰা হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। বিতৰণ কৰা প্ৰপত্ৰৰ সংখ্যা এই পৰ্যায়ত সামৰি ল'বলগীয়া ৫১ কোটি ভোটদাতাৰ প্ৰায় ৯৯ দশমিক ৮-৩ শতাংশ। আয়োগে প্ৰকাশ কৰা মতে বৰ্তমানলৈকে প্ৰায় ৪৭ কোটি প্ৰপত্ৰৰ ডিজিটেল ৰূপ প্ৰদানৰ কাম সম্পূৰ্ণ হৈছে। দেশৰ ৯খন ৰাজ্য আৰু তিনিটা কেন্দ্ৰীয় শাসিত অঞ্চলত ৪ নৱেম্বৰত আৰম্ভ হৈছিল। ১৪ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশেৰে এই প্ৰক্ৰিয়াৰ সামৰণি পৰিছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই মিজোৰামৰ প্ৰাক্তন ৰাজ্যপাল স্বৰাজ কৌশলৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে আজি সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয় যে প্ৰাক্তন ৰাজ্যপালগৰাকী এগৰাকী প্ৰসিদ্ধ অধিবক্তা আছিল আৰু তেওঁ অভাৱগ্ৰস্ত লোকৰ জীৱনৰ উন্নয়নৰ বাবে আইনী পেছাৰ ব্যৱহাৰত বিশ্বাস কৰিছিল। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে তেওঁ দেশৰ কনিষ্ঠতম ৰাজ্যপাল হিচাপে নিযুক্তি লাভ কৰিছিল আৰু ৰাজ্যপালৰ কাৰ্যকালত মিজোৰামৰ জনমানসত মচিব নোৱাৰা চাপ এৰি থৈ যাবলৈ সমৰ্থ হৈছিল। সাংসদ হিচাপে স্বৰাজ কৌশলৰ দৃষ্টিভংগী অনুপ্ৰেৰণাদায়ক আছিল বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

শ্ৰীবিৰলাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে প্ৰাক্তন ৰাজ্যপালগৰাকীয়ে তেওঁৰ সুদীৰ্ঘ ৰাজহুৱা জীৱনত ন্যায়পালিকা আৰু গণতন্ত্ৰৰ উচ্চ প্ৰমূল্যৰাজি অক্ষুণ্ণ ৰাখিছিল আৰু ৰাষ্ট্ৰসেৱাত জীৱন উচৰ্গা কৰিছিল। স্বৰাজ কৌশলৰ সৰল, সংবেদনশীল আৰু নিষ্ঠাপুৰ্ণ ব্যক্তিত্ব চিৰস্মৰণীয় হৈ ৰ'ব বুলি তেওঁ মন্তব্য কৰে।

ooooooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা কেইটামান বছৰত উত্তৰ-পূৰ্বাঞ্চল দেশৰ উন্নয়নৰ কেন্দ্ৰবিন্দুৰূপে পৰিগণিত হোৱা বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন নীতি আৰু আঁচনি ৰূপায়ণৰ ফলত অঞ্চলটোত যোগাযোগসহ বিভিন্ন ক্ষেত্ৰত দ্ৰুত উন্নয়ন হৈছে। বাণিজ্যিক বিমান বন্দৰৰ সম্প্ৰসাৰণ, ছেমি কণ্ডাক্টৰ, ৰে'লৰে আৰু অন্য খণ্ডসমূহক উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰগতিৰ মূল চালিকাশক্তি  বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শ্ৰী সোণোৱালে কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ শান্তি-সম্প্ৰীতিয়ে অঞ্চলটোৰ পূৰ্ণ সম্ভাৱনাৰ সদ ব্যৱহাৰ নিশ্চিত কৰিছে।

ooooooooo

ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী আন্দ্ৰেই বেলুছ'ভক ভাৰতৰ প্ৰতিৰক্ষা ৰাজ্য মন্ত্ৰী সঞ্জয় শেঠে আজি নতুন দিল্লীত আদৰণি জনায়। ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে নতুন দিল্লীস্থিত ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত পুষ্পাঞ্জলি অৰ্পণ কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰতিৰক্ষা

মন্ত্ৰালয়ে কয় যে দুয়োখন দেশৰ প্ৰতিৰক্ষা মন্ত্ৰী দুগৰাকীয়ে ২২ সংখ্যক ভাৰত ৰাছিয়া আন্তঃচৰকাৰী আয়োগৰ বৈঠকত সভাপতিত্ব কৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিত জনোৱা অনুসৰি বৈঠকৰ সময়ত দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষাৰ ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্কৰ সমগ্ৰ পৰিসৰৰ পৰ্যালোচনা কৰা হ'ব। সমসাময়িক, আঞ্চলিক আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহৰ ওপৰতো মত-বিনিময় কৰা হ'ব।

ooooooooo

কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰা নতুন শ্ৰম সংহিতাই সমগ্ৰ দেশৰ শ্ৰমিকৰ জীৱিকাত সুস্থিৰতা প্ৰদান কৰাৰ আশা কৰা হৈছে। আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰা প্ৰতিবেদন অনুসৰি এই নতুন সংস্কাৰে দেশৰ শ্ৰমিকসকলক প্ৰত্যক্ষ সুবিধা প্ৰদান কৰিছে। এই শ্ৰম সংস্কাৰৰ জৰিয়তে চৰকাৰে দেশৰ বিভিন্ন খণ্ডত শ্ৰমিক শাসন ব্যৱস্থা শক্তিশালী কৰিছে। এই সংস্কাৰৰ অধীনত কোনো নিয়োগকাৰীয়ে কৰ্মচাৰীক ন্যূনতম মজুৰিতকৈ কম দৰমহা দিব নোৱাৰিব। সাধাৰণ কৰ্ম সময়ৰ বাহিৰত কৰা কামৰ ক্ষেত্ৰত নিয়মীয়া মজুৰি হাৰতকৈ দুগুণ ক্ষতিপূৰণ দিব লাগিব। লগতে এই নতুন শ্ৰম সংহিতাই অসংগঠিত শ্ৰমিকসকলৰ বাবে কল্যাণমূলক আঁচনিৰ  প্ৰাপ্যতা নিশ্চিত কৰাৰ লগতে স্বাস্থ্য আৰু প্ৰসূতিৰ সুবিধা তথা বৃদ্ধাৱস্থা সুৰক্ষা আদি প্ৰদান কৰিব। তদুপৰি এই সংশোধিত নীতিসমূহ কাৰ্যকৰী হোৱাৰ লগে লগে বাসস্থানৰ পৰা কৰ্মস্থলীলৈ অহা-যোৱা কৰাৰ সময়ত অথবা কৰ্তব্য পালন কৰি উভতি অহাৰ সময়ত যদি কোনো দুৰ্ঘটনা সংঘটিত হয়, তেতিয়া এনে দুৰ্ঘটনাৰ ক্ষতিপূৰণ আদায় দিয়া হ'ব।

ooooooooo

আফগানিস্তানত ইনফ্লুয়েঞ্জা আৰু মেনিনজাইটিছৰ প্ৰাদুৰ্ভাৰ ৰোধ কৰাত সহায় কৰাৰ উদ্দেশ্যে ভাৰতে দেশখনলৈ প্ৰয়োজনীয় স্বাস্থ্য যতন সাহায্য আগবঢ়াইছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে আজি কয় যে ভাৰতে কাবুললৈ ইনফ্লুয়েঞ্জা আৰু মেনিনজাইটিছৰ ৬৩ হাজাৰ ৭০০ৰো অধিক পালি প্ৰতিষেধক প্ৰদান কৰিছে। শ্ৰীজয়ছোৱালে সামাজিক মাধ্যমযোগে কয় যে আফগানিস্তানৰ জনস্বাস্থ্য ব্যৱস্থালৈ সহায় আগবঢ়াবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ। ইয়াৰ পূৰ্বে যোৱা ২৮ নৱেম্বৰত ভাৰতে আফগানিস্তানৰ তাৎক্ষণিক চিকিৎসা আৱশ্যকতা পূৰণৰ উদ্দেশ্যে কাবুললৈ ৭৩ টন জীৱনদক্ষী ঔষধ, প্ৰতিষেধক আৰু আৱশ্যকীয় পৰিপূৰক প্ৰেৰণ কৰিছিল।

ooooooooo

সমগ্ৰ দেশত আজি নৌসেনা দিৱস পালন কৰা হৈছে। নৌসেনা বাহিনীৰ সাফল্য আৰু ভূমিকাৰ স্বীকৃতিস্বৰূপে প্ৰতিবছৰে ৪ ডিচেম্বৰত এই দিৱস পালন কৰা হয়। ১৯৭১ চনত অপাৰেচন ট্ৰাইডেণ্টৰ অধীনত নৌসেনা বাহিনীয়ে আজিৰ দিনটোতে পি এন এছ খাইবাৰসহ পাকিস্তানৰ চাৰিখন জাহাজ ধ্বংস কৰিছিল। এইবেলি কেৰালাৰ তিৰুৱনন্তপুৰমৰ ষণমুগম তীৰত আকৰ্ষণীয় প্ৰদৰ্শনেৰে নৌসেনা দিৱস পালন কৰা হৈছে। এই আয়োজনে মহাসাগৰ উদ্যমৰ অধীনত  পছন্দৰ সুৰক্ষা সহযোগীৰ ভূমিকা পালন কৰাৰ প্ৰতি নৌসেনা বাহিনীৰ সংকল্প প্ৰতিফলিত কৰিছে।

নৌসেনা দিৱস উপলক্ষে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে নৌসেনা বাহিনী, প্ৰাক্তন সৈনিক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে তেওঁৰ বাৰ্তাত নৌ সেনা বাহিনীক দেশৰ সামুদ্ৰিক সুৰক্ষা, সতৰ্কতা আৰু ৰাষ্ট্ৰীয় স্বাৰ্থ ৰক্ষাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰতীক স্বৰূপ বুলি অভিহিত কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত আই এন এছ বিক্ৰান্ত নামৰ জাহাজখনৰ নৌসেনা বাহিনীৰ কৰ্মীসকলৰ সৈতে পোহৰৰ উৎসৱ দীপাৱলী পালনৰ কথা স্মৰণ কৰে আৰু এই অভিজ্ঞতাক অবিস্মৰণীয় বুলি অভিহিত কৰে।

কেন্দ্ৰীয় প্ৰতিৰক্ষা আৰু গৃহ মন্ত্ৰীয়েও নৌসেনা দিৱস উপলক্ষে জনসাধাৰণক ওলগ জনাইছে।

ooooooooo

সমাপ্ত